ভোগালীৰ

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ৬৯ বৃহস্পতিবাৰ ২৫ পুহ ১৯৪৫ শক ১১ জানুৱাৰী ২০২৪ চন ASOMIYA KHABAR JORHAT THURSDAY 11

## কানৈৰ শিক্ষাৰ্থীক আশাজ্যোতি বৃত্তি প্ৰদানৰ চুক্তি সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১০ জানুৱাৰী ঃ ঐতিহ্যমণ্ডিত ডি এইছ এছ কানৈ মহাবিদ্যালয়ে দুৰ্গাপুৰস্থিত ঐতিহাসিক এন এছ এইছ এম একাডেমী আৰু কলকতাস্থিত হৰিচৰণ গাৰ্গ চেৰিটেবল ট্ৰাষ্টৰ মাজত ৫ জানুৱাৰীত পৃথকে পৃথকে দুখন বুজাবুজিৰ চুক্তি সম্পন্ন কৰে। এন এছ এইছ এম ন'লেজ কেম্পাছ, কলকাতাত অনুষ্ঠিত এই অনুষ্ঠানত ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, অধ্যাপক ড° জ্যোতিপ্ৰসাদ ফুকন, হৰিচৰণ গাৰ্গ চেৰিটেবল ট্ৰাষ্টৰ সঞ্চালক কৃ[illegible]কাৰ, হৰিচৰণ গাৰ্গ চেৰিটেবল ট্ৰাষ্টৰ মুৰব্বী গৌতম গাংগুলী, এন এছ এইছ এম একাডেমীৰ উপ-মহাপ্ৰবন্ধক অতিন বেনাৰ্জী, সঞ্চালক ড° অলক সৎসংগীৰ উপস্থিতিত স্বাক্ষৰিত এই বুজাবুজিৰ চুক্তি অনুসৰি তিনিখন শিক্ষানুষ্ঠানৰ মাজত শৈক্ষিক দিশকে ধৰি ক্ৰীড়া, প্ৰযুক্তি আৰু সাংস্কৃতিক আদি বিভিন্ন দিশত এক নতুন মাত্ৰা লাভ কৰিব। এই চুক্তি অনুসৰি এন এছ এইছ এম একাডেমীয়ে প্ৰদান কৰা আশাজ্যোতি বৃত্তিও কানৈ মহাবিদ্যালয়ৰ পৰামৰ্শ অনুসৰি কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকো প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰি এই চুক্তিত বিভিন্ন ধৰণৰ গৱেষণামূলক কাম-কাজৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলক সময়ে সময়ে বিভিন্ন ধৰণৰ শৈক্ষিক কাৰ্যসূচীত অংশ গ্ৰহণৰ ব্যৱস্থা কৰাৰ লগতে শিক্ষানুষ্ঠানকেইখনৰ চুবুৰীয়া বিভিন্ন সম্প্ৰদায়ৰ মাজত আৰু সামাজিক দিশত সুবিধা হোৱাকৈ বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ সময়ে সময়ে প্ৰশিক্ষণ কাৰ্যসূচীৰ ৰূপায়ণ কৰা আদি বিষয়ো চুক্তিকেইখনত অন্তৰ্ভুক্ত হৈছে। উল্লেখ্য যে এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে শিক্ষানুষ্ঠানকেইখনৰ মাজত শৈক্ষিক ক্ষেত্ৰকে ধৰি অন্যান্য বহুদিশত একেলগে কাম কৰাত বহুখিনি সুবিধা হ'ব বুলি ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জানিবলৈ দিছে।

NIT No. 07 of 2023-24
PRESS NOTICE
Re-Request for Proposal

Online Request for Proposals (RFP) is Re-invited from the intending Contractors/Firms to select an Agency for the execution of the work namely- "Select an Agency for Establishment & Commissioning of Material Recovery Facility (MRF) & Waste to Compost Plant (W2C) at